# যুৱাঙ্গন

জীৱনৰ ৰণাঙ্গনত যুৱশক্তিৰ আলোড়ন

YUBANGAN ◆ DIBRUGARH UNIVERSITY INTER COLLEGE YOUTH FESTIVAL 2025-26 ◆ NEWSLETTER ◆ 29th January 2026


## অধ্যক্ষৰ একলম



দুলীয়াজান মহাবিদ্যালয়ৰ 'জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ'ৰ আজিৰ দিনটো যেন এক সজীৱ উৎসৱৰ দিন। ভিন্ন ৰং–ৰূপ–ৰসৰ সমাহাৰেৰে সমৃদ্ধ আজিৰ যুবাঙ্গন। ভিন্ন স্থানত অৱস্থিত ছয়খন মঞ্চত সমান্তৰালভাৱে অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাই সামগ্ৰিক পৰিৱেশটোক সৃষ্টিশীলতাৰ ৰঙেৰে ৰঙীণ কৰি তুলিছিল। ক'ৰবাত যদি একান্ত মননশীলতাৰে কোনো প্ৰতিযোগীয়ে একক লোকগীত গাইছিল, ক'ৰবাত অৰ্কেষ্ট্ৰা, পশ্চিমীয়া কণ্ঠসংগীতৰ সুৰে আকাশ কঁপাই তুলিছিল। পাৰ্বতীপ্ৰসাদৰ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত সংগীতৰ আবেগময় সুৰে অসমীয়া সংস্কৃতিৰ গভীৰ শিপাক পুনৰ উজলাই তুলিছিল। আন এক স্থানত যদি সমবেত সংগীত, কুইজ, স্কিট, মাইমৰ মাধ্যমেৰে প্ৰতিযোগীসকলে নিজৰ প্ৰতিভা আৰু বুদ্ধিমত্তাৰ পৰিচয় দিছিল। কিছুমানে ভায়'লিন, চেতাৰ, মেণ্ড'লিন, বাঁহী, গীতাৰ বা তবলা বজাই সংগীতৰ ভাষাৰে সকলোৰে হৃদয় জয় কৰিছিল। সেই সুৰসমূহে যেন শব্দবিহীনভাৱেই বহু কথা কৈ গৈছিল। দৃশ্যকলাৰ ক্ষেত্ৰতো এক অনন্য চমক দেখা গৈছিল। ঠাইতে অঁকা চিত্ৰ, কাৰ্টুন চিত্ৰ অংকন, পোষ্টাৰ, কলাজৰ প্ৰতিযোগিতাত ৰঙৰ সৈতে কল্পনাৰ মিলনে একো একোটা কাহিনীৰহে যেন জন্ম হৈছিল। প্ৰতিটো তুলিকাৰ প্ৰতিটো ৰেখাত শিল্পীৰ মনোজগতহে যেন উন্মোচিত হৈছিল। এই সকলো ব্যস্ততাৰ মাজতেই গ্ৰন্থ বিপনীৰ ভিতৰতো অংশগ্ৰহণকাৰীসকলে কিছু সময় থমকি ৰৈ শব্দৰ জগতত বিচৰণ কৰিছিল। আজিৰ দিনটো সঁচাকৈয়ে প্ৰতিভা, সংস্কৃতি আৰু সৃষ্টিশীলতাৰ এক অপূৰ্ব মিলনস্থলী হৈ ৰ'ল।

**– ড° লোক বিকাশ গগৈ**

## দুলীয়াজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ এষাৰ



সম্প্ৰীতিৰ ধ্বজাবহনকাৰী যুৱ–মহোৎসৱে প্ৰতিযোগীসকলক নিজৰ সুপ্ত প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ দিয়ে৷ নিজৰ কৌশল আৰু দক্ষতাক বাঙ্ময় ৰূপ দি তেওঁলোকৰ আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় বৃদ্ধি কৰে৷ ই যেন এক সাংস্কৃতিক নৱজাগৰণহে৷ ক্ষেত্ৰবিশেষে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ প্ৰতিযোগীসকলে সৰ্বস্ব উজাৰি কৰা প্ৰচেষ্টাৰ যোগেদি মহোৎসৱথলীত তেওঁলোকে সাতোৰঙী ৰামধেনু আঁকে৷ যুৱ–মহোৎসৱে কাৰোবাৰ ভৱিষ্যতৰ বাটো মুকলি কৰিব পাৰে৷ কোনে নিজকে কি ক্ষেত্ৰত জীৱনৰ অনাগত দিনবোৰত প্ৰতিষ্ঠা লাভ কৰিব তাৰ দিক্ নিৰ্ণায়ক ভূমিকাও ল'ব পাৰে যুৱ–মহোৎসৱে৷ এফালে আনন্দময় প্ৰতিযোগিতামুখী প্ৰৱণতা আৰু আনফালে নিজৰ ৰুচি তথা সামৰ্থ্য অনুযায়ী নিজকে প্ৰতিষ্ঠা কৰাৰ হাবিয়াস এটিও যুব–মহোৎসৱৰ মাজত নিহিত হৈ থাকে৷ এনেবোৰ কাৰকে ছাত্ৰ–ছাত্ৰীৰ শৈক্ষিক জীৱনত যুৱ–মহোৎসৱৰ গুৰুত্ব আৰু মহত্ব উপলব্ধি কৰোৱায়৷

২০২৫–২৬ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ–মহোৎসৱ উদযাপনৰ দায়িত্ব কান্ধ পাতি লৈ দুলীয়াজান মহাবিদ্যালয় পৰিয়ালে অত্যন্ত আন্তৰিকতা আৰু দায়বদ্ধতাৰে তাৰ লগত জড়িত প্ৰতিটো কৰ্ম সমাপন কৰিছে৷ তাৰবাবে আমি দুলীয়াজান মহাবিদ্যালয় পৰিয়ালক সাধুবাদ দিছোঁ৷ আমাৰ মহাবিদ্যালয়খনক এই মহোৎসবটি আয়োজন কৰিবলৈ নিৰ্বাচন কৰা বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষও ধন্যবাদৰ পাত্ৰ৷ এইবাৰৰ যুৱ–মহোৎসৱ প্ৰতিটো দিশতে সফল হ'ব বুলি আমি আশাবাদী৷

**- নৰেন চাংমাই**

## শ্ৰদ্ধাৰ্ঘ



**কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে**

**– জুবিন গাৰ্গ**



সঁচা হোৱাৰ পথ চিৰ নতুন
সঁচা হোৱাৰ মন চিৰ তৰুণ
মৰমৰে পথাৰ বৰ বিশাল
সজাগ হোৱাৰ পথ চিৰ নতুন
সজাগ হোৱাৰ মন চিৰ তৰুণ
চিন্তাৰ মাজেৰেই আহে জোৱাৰ

-জুবিন গাৰ্গ

# দুলীয়াজান মহাবিদ্যালয়ৰ "জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ দ্বিতীয় দিনাও উৎসাহৰ ঢল

"জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"ৰপৰা যুবাঙ্গনৰ প্ৰতিনিধি,২৯ জানুৱাৰী : দুলীয়াজান মহাবিদ্যালয়ৰ "জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয় ২০২৫-২৬ বৰ্ষৰ আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱৰ আজি দ্বিতীয় দিনাও ব্যাপক উৎসাহ-উদ্দীপনা দেখা যায় ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু উদ্যোক্তাসকলৰ মাজত ।আজি পুৱা ৯ বজাৰপৰা "জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"ৰ বিভিন্ন সোঁৱৰণী মঞ্চসমূহত সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। এই সময়ছোৱাত মূল প্ৰেক্ষাগৃহ পূৰ্ণকান্ত হাজৰীকা সোঁৱৰণী মঞ্চ,বীৰেন চুতীয়া সোঁৱৰণী মঞ্চ, জ্যোতি প্ৰসাদ চেতিয়া সোঁৱৰণী মঞ্চ, দীপক গগৈ সোঁৱৰণী মঞ্চ,কে বি কানুগা সোঁৱৰণী মঞ্চ আৰু অজিত বৰগোহাঁই সোঁৱৰণী মঞ্চত সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, ডিব্ৰুগড় বিশ্ববিদ্যালয় ২০২৫-২৬ বৰ্ষৰ আন্ত:মহাবিদ্যালয় যুৱ-মহোৎসৱত এইবাৰ প্ৰতিযোগিতাৰ দুটা নতুন শিতান সংযোজন কৰা হৈছে। এই অনুসৰি জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা আৰু ব্যংগাত্মক চুটি নাট ( Skit ) প্ৰতিযোগিতা পোনপ্ৰথমবাৰৰ বাবে আজি অনুষ্ঠিত হয়। ইয়াৰ উপৰি যুৱ মহোৎসৱখনৰ লগত সংগতি ৰাখি দুলীয়াজান মহাবিদ্যালয়ে "জুবিন গাৰ্গৰ গীতত প্ৰেমৰ চিত্ৰণ" শীৰ্ষক প্ৰবন্ধ আৰু "জুবিন গাৰ্গ পৰিচালিত অসমীয়া চলচ্চিত্ৰ" শীৰ্ষক চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাৰ আয়োজন কৰে।

যুৱ মহোৎসৱৰ দ্বিতীয় দিনাৰ সন্ধিয়ালৈ একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে টীয়কৰ আউনিআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড প্ৰকাশজ্যোতি বৰঠাকুৰে।

## সাংস্কৃতিক সমন্বয়ৰ এক অনন্য যাত্ৰা

**মৃণ্ময় কুমাৰ বৰুৱা**



দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ ২০২৫-২৬ ৰ সাংস্কৃতিক সমন্বয়ক হিচাপে মোৰ যি অভিজ্ঞতা, সেয়া কেৱল এটা দায়িত্বই নহয়, বৰঞ্চ এক আৱেগিক আৰু শিক্ষাৰ নিকা যাত্ৰা। ২৮ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী, ২০২৬ লৈকে বিস্তৃত এই চাৰিদিনীয়া কাৰ্যসূচীয়ে মোৰ জীৱনলৈ এক অনন্য মাত্ৰা কঢ়িয়াই আনিছে।

বৈচিত্ৰ্যময় কলাৰ মিলনভূমি আৰু প্ৰত্যাহ্বান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৬৩ খন মহাবিদ্যালয়ৰ প্ৰায় ১৬০০ প্ৰতিনিধিক আদৰণি জনোৱাটো আমাৰ বাবে এক বিৰাট প্ৰত্যাহ্বান আছিল। সাংস্কৃতিক সমন্বয়ক হিচাপে মোৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কাম আছিল ৭ খনকৈ ভিন্ন মঞ্চত ৪৬ টা বিভাগৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰা।

আমাৰ মঞ্চকেইখনত প্ৰতিফলিত হৈছে অসমৰ চহকী লোক-সংস্কৃতিৰ পৰা আধুনিক শিল্পকলাৰ এক সুন্দৰ সংমিশ্ৰণ। শাস্ত্ৰীয় সংগীত, পাশ্চাত্য সংগীতৰ লগতে আমাৰ গৌৰৱ – জয়ন্ত হাজৰিকা, ড° ভূপেন্দ্ৰ হাজৰিকা আৰু জুবিন গাৰ্গৰ গীতৰ মূৰ্চ্ছনাই দুলীয়াজানৰ আকাশ-বতাহ মুখৰিত কৰি তুলিছে। ইয়াৰোপৰি নাটক, মুকাভিনয়, লোকনৃত্য, লোকসংগীতৰ লগতে চাৰু-কাৰু কলা (Fine arts), কুইজ আৰু তৰ্ক প্ৰতিযোগিতাৰ দৰে বৌদ্ধিক চৰ্চাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সুস্থ প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তুলিছে।

একতা আৰু সমন্বয়ৰ শক্তি

সাংস্কৃতিক সমন্বয়ক হিচাপে কাম কৰোঁতে মই উপলব্ধি কৰিছোঁ যে এই মহোৎসৱ কেৱল হৰা-জিকাৰ খেলা নহয়; ই হ'ল একতা আৰু সাংস্কৃতিক বিনিময়ৰ এক বিশাল মঞ্চ। ভিন্ন প্ৰান্তৰ পৰা অহা ১৬০০ প্ৰতিনিধিৰ সৈতে যোগাযোগ কৰা আৰু ৭ খন মঞ্চৰ কাম-কাজ একেলগে চলাই নিয়াৰ বাবে যি দলীয় কামৰ (Teamwork) প্ৰয়োজন, সেয়া আছিল মোৰ বাবে শিকাৰ এক ডাঙৰ সুযোগ।

এই বিশাল আয়োজন কেতিয়াও এজন ব্যক্তিৰ প্ৰচেষ্টাৰে সম্ভৱ নহয়। ইয়াৰ আঁৰত থকা প্ৰতিগৰাকী ব্যক্তিলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰথমতে, আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ লোক বিকাশ গগৈ ছাৰক ধন্যবাদ জনাইছোঁ, যাৰ বলিষ্ঠ নেতৃত্ব আৰু দিক্-দৰ্শনে আমাক আগবাঢ়ি যাবলৈ সাহস দিলে। আয়োজক সমিতিৰ সভাপতি নৰেন চাংমাই ডাঙৰীয়াৰ দূৰদৰ্শী চিন্তা আৰু সঠিক পৰিচালনাৰ শলাগ লৈছোঁ।

এক বিশেষ কৃতজ্ঞতা জনাইছোঁ আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ প্ৰাণোচ্ছল ছাত্ৰ-ছাত্ৰীসকলক। স্বেচ্ছাসেৱক হিচাপে তেওঁলোকে আগবঢ়োৱা নিৰলস সেৱা আৰু শৃংখলাবদ্ধতাইহে এই মহোৎসৱক প্ৰাণৱন্ত কৰি তুলিছে। একেদৰে মোৰ মৰমৰ সহকৰ্মীসকল, মহাবিদ্যালয়ৰ নিষ্ঠাবান কৰ্মচাৰীবৃন্দ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল আৰু প্ৰতিজন বিষয়ববীয়াৰ অকৃপণ সহযোগিতা আৰু দিনে-ৰাতি একাকাৰ কৰা পৰিশ্ৰমেহে এই মহোৎসৱক সফলতাৰ শিখৰলৈ লৈ গৈছে।

৩১ জানুৱাৰীত এই মহোৎসৱৰ সামৰণি পৰিব, কিন্তু দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিটো কোণত ৰৈ যাব এই সোণালী স্মৃতিবোৰ। আমাৰ এই ক্ষুদ্ৰ প্ৰয়াসে যদি উঠি অহা যুৱ প্ৰজন্মৰ শৈল্পিক মনটোক অলপ হ'লেও উদ্গনি যোগাব পাৰিছে, তেন্তে সাংস্কৃতিক সমন্বয়ক হিচাপে মোৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি গণ্য কৰিম।



# শিল্পী, কলা–কুশলী, বিচাৰকৰ অভিমত



দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২৫ –২৬ বৰ্ষৰ আন্ত: মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত এগৰাকী বিচাৰক হিচাপে দায়িত্ব লাভ কৰি বহুত আনন্দিত হৈছো। ইয়াৰ পূৰ্বেও যুৱ মহোৎসৱত দায়িত্ব পালন কৰিছো। এইবাৰ গৃহ চহৰখনত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২৫ –২৬ বৰ্ষৰ আন্ত : মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ পুনৰ দায়িত্ব লাভ কৰি গৌৰৱ অনুভৱ কৰিছো৷

দীপক গগৈ
গীতিকাৰ,সংগীতজ্ঞ



যুৱ মহোৎসৱত মানে হৈছে এখন বন্ধুত্ব সমন্বয় ক্ষেত্ৰ। য'ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ সকলো মহাবিদ্যালয়ৰ মাজত এক বৃহৎ সমন্বয় সৃষ্টি হৈছে৷ সেয়ে যুৱ সমন্বয়ক্ষেত্ৰত উপস্থিত থকাৰ সুবিধা লাভ কৰা লগতে সংগীতৰ বিচাৰকৰ দায়িত্ব পালন কৰিবলৈ পাই মই খুবেই আনন্দিত

গৌতম শৰ্মা
গীতিকাৰ,সংগীতজ্ঞ



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্ত : মহাবিদ্যালয় যুৱ মহোৎসৱৰ এই পৰিৱেশে মোক আহ্লাদিত কৰিছে। বিশেষকৈ ছাত্ৰ –ছাত্ৰী সকলৰ প্ৰতিভাই মোক আকৰ্ষিত কৰিছে৷ এই অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰি নিজকে সৌভাগ্যবান অনুভৱ কৰিছো৷

ৰিজুমণি শইকীয়া তামুলী
কবি, আবৃত্তিকাৰ



দুলীয়াজন মহাবিদ্যালয়ত অনুষ্ঠিত ২০২৫ –২৬ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত এজন বিচাৰক হিচাপে অংশ গ্ৰহণ কৰিব পাই বহুত ভাল লাগিছে। সকলোৱে প্ৰতিযোগিতা সমূহত খুব ধুনীয়াকৈ পৰিৱেশন কৰিছে।এই মঞ্চখনে ভৱিষ্যতে ছাত্ৰ –ছাত্ৰী সকলক বহুতো দিশত সহায় কৰিব।এইটো প্ৰতিযোগীতা বুলি ভাবিব নালাগে। আচলতে গীতৰ প্ৰতিযোগীতা কেতিয়াও হ'ব নোৱাৰে । সংগীতে মানুহৰ মনত শান্তি আৰু সুখ বিলায়।খুব সুন্দৰ পৰিৱেশ লগতে চাফ চিকুনতা বজাই ৰখাৰ বাবে খুব ভাল লাগিছে।

কৌশিক কোঁৱৰ
শিল্পী



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্ত : মহাবিদ্যালয় যুৱ মহোৎসৱত বিচাৰকৰ দায়িত্ব পালন কৰিবলৈ পাই সুখ অনুভৱ কৰিছো৷ ছাত্ৰ –ছাত্ৰী সকলে এনেধৰণৰ প্ৰতিযোগিতামূলক অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰাটোৱেই আটাইতকৈ ডাঙৰ কথা৷ প্ৰতিযোগিতাত পুৰস্কাৰ পাব লাগিব বুলি কোনো কথা নাই৷ সেয়ে এই ক্ষেত্ৰত পিতৃ –মাতৃ বা ঘৰৰ অভিভাৱকেও স্থান দখলৰ বাবে ল'ৰা–ছোৱালীক হেঁচা প্ৰদান কৰাটো ভুল৷ বিশ্বমান কলাসমূহ আগত লৈ গ'লেহে ছাত্ৰ–ছাত্ৰীয়ে তেওঁৰ ব্যক্তিত্বৰ বিকাশত সৰ্বোত্তম স্তৰত উপস্থিত হ'ব পাৰিব৷

বেদান্ত প্ৰসাদ বৰুৱা
আবৃত্তিকাৰ,শিক্ষাবিদ



যুৱ মহোৎসৱত মানে হৈছে এখন বন্ধুত্ব সমন্বয় ক্ষেত্ৰ। য'ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ সকলো মহাবিদ্যালয়ৰ মাজত এক বৃহৎ সমন্বয় সৃষ্টি হৈছে৷ সেয়ে যুৱ সমন্বয়ক্ষেত্ৰত উপস্থিত থকাৰ সুবিধা লাভ কৰা লগতে সংগীতৰ বিচাৰকৰ দায়িত্ব পালন কৰিবলৈ পাই মই খুবেই আনন্দিত৷

গৌতম শৰ্মা
গীতিকাৰ,সংগীতজ্ঞ



দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ প্ৰথম দিনৰ কাৰ্যসূচীত অতিথি হিচাপে অংশগ্ৰহণ কৰিবলৈ পাই ধন্য হলো।অতি সুন্দৰ পৰিৱেশ। সুন্দৰ ব্যৱস্থাপনা। সুন্দৰ অভ্যৰ্থনা। চাৰওফালে এক উৎসৱমুখৰ পৰিৱেশ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৬৩খন মহাবিদ্যালয়ৰপৰা অহা অনেক যৌৱনোচ্ছল ছাত্ৰ–ছাত্ৰীৰ ব্যস্ততাপূৰ্ণ উখল–মাখল মধুৰ ক্ষণ। পৰিষ্কাৰ–পৰিচ্ছন্ন মহাবিদ্যালয়খনিৰ অধ্যক্ষকে প্ৰমুখ্য কৰি অধ্যাপক–অধ্যাপিকাসকলৰ গাত তৰণি নাই। হাঁহি হাঁহি মহোৎসৱৰ বিভিন্ন কামত আন্তৰিকতাৰে ব্যস্ত হৈ পৰিছে।মহোৎসৱৰ সাতটা মঞ্চৰ প্ৰাক্তন অধ্যক্ষ বীৰেন চুতীয়াদেৱৰ নামত উচৰ্গিত মঞ্চটি উদ্বোধন কৰিবলৈ পাই ধন্য হলোঁ।সুন্দৰ ফৰকাল বতৰ।দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষকে আদি কৰি মহাবিদ্যালয় পৰিয়ালৰ সকলোকে অভিনন্দন জনাইছোঁ আৰু মহোৎসৱটিৰ সফলতা কামনা কৰিছোঁ।

ভূপেন শইকীয়া
অসম সাহিত্য সভাৰ প্ৰাক্তন উপ–সভাপতি



দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ ২০২৫–২৬–ত অংশগ্ৰহণ কৰা প্ৰতিযোগী, তত্ত্বাৱধায়ক আৰু বিচাৰককে ধৰি সকলোলৈ উষ্ম আদৰণি জনাইছোঁ। চলিত মাহৰ ২৮ ৰ পৰা ৩১ জানুৱাৰীলৈকে দিনকেইটাত মহাবিদ্যালয়খনত গীত, নৃত্য, নাটক আদি অনেক প্ৰতিযোগিতাৰে উদুলি – মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে। সকলো প্ৰতিযোগীয়ে নিজৰ সৰ্বশ্ৰেষ্ঠখিনি উজাৰি দিবলৈ চেষ্টা কৰিছে । আহক আমি সকলোৱে এই সৃষ্টিৰ ৰণাংগন একেলগে উপভোগ কৰোঁ আৰু মহাবিদ্যালয়খনৰ এই স্মৃতি যুগমীয়া কৰি ৰাখোঁ।

ড° জিতুমণি বড়া
সমন্বয়ক
আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ, দুলীয়াজান মহাবিদ্যালয়



ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ২০২৫–২৬খনি চলিত মাহৰ ২৮ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী, ২০২৬ লৈকে চাৰিদিনীয়া কাৰ্যসূচীৰে দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছে । বিশেষকৈ দুলীয়াজানত যুৱ মহোৎসৱখনি অনুষ্ঠিত কৰাৰ বাবে আমি অতিশয় আনন্দিত হোৱাৰ লগতে গৌৰৱান্বিত । আশা কৰো এই যুৱ মহোৎসৱখনিয়ে ছাত্ৰ–ছাত্ৰীৰ সামগ্ৰিক প্ৰতিভাক স্বীকৃতি প্ৰদান কৰাৰ লগতে প্ৰেৰণা যোগাব। যুৱ মহোৎসৱখনিৰ সকলো কাৰ্য্যসূচীৰ সফল সমাপ্তিৰ কামনাৰে –

মঞ্জিল প্ৰতিম ডেকা
সাধাৰণ সম্পাদক
দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা

## 29th January 2026: Events Covered

### PURNAKANTA HAZARIKA MEMORIAL STAGE

Events: **1) Western (solo)**
No. of the participants: 23
Judges: Ashim Dowarah, Rupjyoti Dowarah, Surya Goswami
**2) Lokageet** No. of the participants: 36
**3) Folk Orchestra:** No. of the participants: 7
Judges: Hirakjyoti Sharma, Gautam Saikia, Kaushik Konwar

### K.B. KANUGA MEMORIAL STAGE

Events and No. of the participants:
**1) Jayanta Sangeet** -32
Judges :Dipak Gogoi, Jibendramohan Debsharma, Prashanta Rajkhowa
**2) Bhupendra Sangeet** -48
Judges of Bhupendra Sangeet: Surjya Goswami, Jibendramohan Debsharma, Prashanta Rajkhowa

### DIPAK GOGOI MEMORIAL STAGE

Events: **Parvati Prasad Geet**
No. of participants- 39
Name of the judges- Gautam Sharma, Pradyut Mishra and Probin Saikia

### AJIT BORGOHAIN MEMORIAL STAGE

Events and total participants: **Violin- 4, Flute -18, Tabla -11 & Mandolin- 2**
Judges names: Kaushik Konwar, Santanu Ranjan Borthakur, Shyamanta Borkotoky
**Guitar**
No of Participants: 13
Name of the Judge(s): Rupjyoti Dowarah, Santanu Ranjan Borthakur, Ashim Dowarah

### BIREN CHUTIA MEMORIAL STAGE

Events : Quiz-Team 29 and selected 6 groups for Final (Quiz Master : Mr. Shayantan Saikia)
No of Participants: Mime : 18 groups Skit: 20 groups
**Judges of Mime and Skit :**Ashim Kr. Sharma,Pankaj Jyoti Bhuyan,Rupantar Barpatra Gohain ,Bibhuti Bhusan Hazarika, Pranjal Gogoi

### OPEN STAGE

**1) On Spot Painting:** Total participants: 41
**2) Cartooning:** Total participants: 27
**3) Poster Making:** Total participants: 29
**4) Collage :** Total participants: 18
Judges names: Homen Saikia Mr Deva Krishna Baruah ,Sutapa Choudhary

## মহীৰুহ স্মৰণ

## পূৰ্ণকান্ত হাজৰীকা




১৯৬৮ চন । এখন শিক্ষানুষ্ঠান জন্ম দিবলৈ পৰিকল্পনা কৰা বছৰ।সেইবাবেই বছৰটো দুলীয়াজানবাসী ৰাইজৰ বাবে চিৰস্মৰণীয় বছৰ। সেই বছৰৰে আগষ্ট মাহৰ এটি পুৱাত তৎকালীন তিনিজন যুৱক — শ্ৰী বীৰেন চুতীয়া, শ্ৰী তীৰ্থ হাজৰিকা আৰু শ্ৰী গহীন চুতীয়া প্ৰয়াত পূৰ্ণকান্ত হাজৰীকাদেৱৰ ঘৰলৈ আহে। কাৰণ হাজৰীকা সেই সময়ত দুলীয়াজান আঞ্চলিক যুৱক সংঘৰ সভাপতি আছিল। আন আন বিষয়ৰ লগতে দুলীয়াজান অঞ্চলত এখন কলেজ পতাৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰা হয়। ১১-০৮-৬৮ তাৰিখে চলাকটকী প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা আহ্বান কৰা হয়। সেই সভাত সভাপতিত্ব কৰে চেনীৰাম দত্তই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শ্ৰী বীৰেন চুতীয়াদেৱে। প্ৰয়াত পূৰ্ণকান্ত হাজৰীকাই দুলীয়াজানত থকা দুটা বৃহৎ উদ্যোগ আৰু আশে-পাশে থকা চাহ-বাগিচাবোৰক লৈ এখন কলেজ গঢ়ি উঠাৰ সম্পূৰ্ণ সম্ভাৱনা আছে বুলি দৃঢ়তাৰে কয়। তেখেতসকলৰ প্ৰচেষ্টাৰ ফলত দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ কাম আগবাঢ়ি গৈ থাকে। কালক্ৰমত কেইজনমান বিশেষ ব্যক্তিৰ চিন্তা-চৰ্চাৰ যোগেদি জন্ম লাভ কৰা দুলীয়াজান মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰা হয় ১৯৬৯ চনৰ ১ আগষ্টৰপৰা।

প্ৰয়াত পূৰ্ণকান্ত হাজৰীকা ডিব্ৰুগড় জিলাৰ দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু এগৰাকী বিশিষ্ট শিক্ষাবিদ আছিল। তেওঁক আধুনিক দুলীয়াজানৰ ৰূপকাৰ আৰু উচ্চশিক্ষাৰ বাটকটীয়া বুলি গণ্য কৰা হয়। ২০২৫ চনৰ ডিচেম্বৰত তেখেতৰ বৈকুণ্ঠপ্ৰয়াণ ঘটে। শিক্ষাজগতত তেখেতৰ অৱদান, নিষ্ঠা আৰু দূৰদৰ্শী চিন্তাধাৰাৰ মূল্য চিৰদিন থাকি যাব। দুলীয়াজান মহাবিদ্যালয়ক এক শক্তিশালী শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলিবলৈ তেখেত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসংখ্য ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত তেখেতৰ এই বহুমূলীয়া অৱদান চিৰস্মৰণীয় হৈ থাকিব।

## অনুভৱৰ টোকা

দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫-২৬ সন্দৰ্ভত অসমৰ সন্মানীয় শিক্ষামন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াই সামাজিক মাধ্যমত প্ৰদান কৰা অভিমত



বিচাৰক হিচাপে এতিয়ালৈ ল'ৰা-ছোৱালীসকলৰ যি অভিনয় দেখিলোঁ সঁচাকৈয়ে খুব 'টেলেণ্টেড' । আমি যিটো বিষয়ত আজি বিচাৰক হিচাপে আছোঁ তাৰ উপৰি কম সময়ৰ বাবে সংগীতৰ প্ৰতিযোগিতাখনতো বহিছোঁ, এই ল'ৰা-ছোৱালী সকলক দেখি এনে অনুভৱ হৈছে আমাৰ ভৱিষ্যত ভাল মানুহৰ হাতত আছে। মাত্ৰ তেওঁলোকক সঠিক গাইডৰ প্ৰয়োজন। কুণ্ঠাবোধ নকৰাকৈ ভুলখিনি শুধৰাই শুদ্ধ পথটো আঙুলিয়াই দিব লাগিব আমিয়েই। তেওঁলোকে ভাল পাব অথবা বেয়া পাব বুলি নহয় আমাৰ কৰ্তব্য হিচাপে এইখিনি দায়িত্ব পালন কৰিলে ভৱিষ্যত সদায়েই সুন্দৰ হ'ব । সংগীত অথবা কলাক্ষেত্ৰত ল'ৰা ছোৱালীসকলৰ উৎসাহ দেখি সচাঁয়েই সুখী হৈছোঁ।

বিভূতি ভূষণ হাজৰিকা
যশস্বী অভিনেতা, কণ্ঠশিল্পী

# অভিব্যক্তি



✍দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে একত্ৰিত হৈ সাংস্কৃতিক আৰু সাহিত্য-কলা-কৃষ্টি প্ৰদৰ্শন কৰিবলৈ সুযোগ লাভ কৰিছে। এই মঞ্চৰ জৰিয়তে তেওঁলোকে নিজৰ নিজৰ প্ৰতিভাসমূহ বাস্তৱ ৰূপত প্ৰতিফলিত কৰি শান্তি-সম্প্ৰীতি আৰু একতাৰ ডোলেৰে ঐক্যবদ্ধ হৈ বন্ধুত্ব আৰু ভাতৃত্ববোধৰ পৰিচয় দিছে। সকলো ছাত্ৰ-ছাত্ৰীলৈ আমাৰ শুভেচ্ছা আৰু কৃতজ্ঞতা জনাই তেওঁলোকৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

গোলমণি শইকীয়া
সহকাৰী অধ্যাপক
জীয়াঢল মহাবিদ্যালয়, ধেমাজি



✍নমস্কাৰ, মই গৌতম শইকীয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য-কলাৰ সহকাৰী অধ্যাপক। আজি দ্বিতীয়টো দিনত বহুতো প্ৰতিযোগিতা অনুষ্ঠিত হৈছে । সুন্দৰকৈ অনুষ্ঠিত কৰিছে দুলীয়াজান মহাবিদ্যালয়ে । আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱৰপৰা ছাত্ৰ-ছাত্ৰীসকল অনুপ্ৰাণিত হয় । ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক দিশটোৰ লগতে যাতে সাংস্কৃতিক দিশটোও আগুৱাই নিয়ে তাকে কামনা কৰিলোঁ। ধন্যবাদ।

সহকাৰী অধ্যাপক
পৰিৱেশ্য-কলা বিভাগ,শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়,নগাঁও



✍ আজি কমেও বিশ-ত্ৰিশ বছৰ ধৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ বিচাৰকৰ দায়িত্ব পালন কৰি আহিছোঁ। যুৱ মহোৎসৱত যেতিয়া উপস্থিত হওঁ এজাক তৰুণৰ উৎসাহ-উদ্দীপনাক অনুভৱ কৰোঁ। তেওঁলোকৰ কাম কৰাৰ যি মানসিকতা সেইটো স্তৰে স্তৰে ওপৰলৈ গৈ আছে, তাক দেখি অত্যন্ত সুখী হৈছোঁ। বিশেষকৈ আমি বিচাৰক হিচাপে যিখিনি কৰিছোঁ, তাতোকৈ ছাত্ৰ-ছাত্ৰীসকলে বহুত ভাল কাম কৰিবলৈ আৰম্ভ কৰিছে। প্ৰতিযোগিতাৰ বাবে যিখিনি প্ৰস্তুতি, তেওঁলোকৰ কষ্ট কৰাৰ যি মানসিকতা সেইখিনিয়ে আমাকো উৎসাহ দিছে। এইধৰণে যদি আমাৰ ল'ৰা ছোৱালী সকলে কাম কৰি থাকে অদূৰ ভৱিষ্যতে আৰু অধিক ভাল কাম কৰি যাব বুলি মই অন্তৰৰ পৰা বিশ্বাস কৰোঁ। এই তৰুণ সকলকৰ মাজত থাকিলে আমাৰো কাম কৰাৰ স্পৃহা জাগে। দুলীয়াজান কলেজৰ শৃংখলাবদ্ধ আয়োজনক মই শলাগ লৈছোঁ, কলেজৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

অসীম শৰ্মা,
যশস্বী নাট্যকাৰ, অভিনেতা, পৰিচালক



✍নমস্কাৰ, মই ডিম্পী সন্দিকৈ ডিব্ৰুগড হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰী। দুলীয়াজানৰ নিবাসী। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্ত: মহাবিদ্যালয় যুৱ মহোৎসৱ সম্পৰ্কে মোৰ অনুভৱ হ'ল এই ২০২৫-২৬-ৰ যুৱ মহোৎসৱৰ আয়োজন দুলীয়াজান মহাবিদ্যালয়ত খুব সুন্দৰকৈ হৈছে। মোৰ এইবাৰ দ্বিতীয়টো অভিজ্ঞতা। আজি দ্বিতীয়টো দিন। বহুতো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছোঁ। বহুত ভাল লাগিছে, বহুত সুন্দৰকৈ আয়োজন কৰিছে সকলোবিলাক , ভাল লাগিছে আকৌ এবাৰ যুৱ মহোৎসৱ উপভোগ কৰিবলৈ সুবিধা পাইছোঁ। ধন্যবাদ।

## ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫-২৬-ৰ লগত সংগতি ৰাখি দুলীয়াজান মহাবিদ্যালয়ৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহৰ মাজত অনুষ্ঠিত কৰা প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল

### প্ৰবন্ধ প্ৰতিযোগিতা — বিষয় ঃ জুবিন গাৰ্গৰ গীতত প্ৰেমৰ চিত্ৰণ

| | |
|---|---|
| প্ৰথম স্থান | : দুলেশ্বৰ শইকীয়া, সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ |
| দ্বিতীয় স্থান | : ধ্ৰুৱজিৎ শইকীয়া, চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক |
| তৃতীয় স্থান (যুটীয়াভাবে) | : অলী চাবুকধৰা, লখিমপুৰ গাৰ্লচ ক'লেজ, লখিমপুৰ |
| | প্ৰিয়া খনিকৰ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান |

### চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতা — বিষয় ঃ জুবিন গাৰ্গ পৰিচালিত অসমীয়া চলচ্চিত্ৰ

| | |
|---|---|
| প্ৰথম স্থান | : বিৰাজ বল্লভ গগৈ, ডি.এইচ.এস. কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় |
| দ্বিতীয় স্থান | : প্ৰিয়া খনিকৰ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান |
| তৃতীয় স্থান | : দুলেশ্বৰ শইকীয়া, সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ |

## ৰাংঢালী সময়








## আজি কেমেৰাত আবদ্ধ হোৱা কিছু আলোকচিত্ৰ














# ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫-২৬ৰ বিবিধ প্ৰতিযোগিতাৰ স্থিৰচিত্ৰ





































*সম্পাদকীয়*

# জুবিন-উত্তৰ যুগৰ চিন্তা

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ ঈশ্বৰপুত্ৰ, সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ অৱদান কি তাক দোহৰাৰ প্ৰয়োজন নাই। অসমীয়া সংগীতৰ ঐতিহ্যক আধুনিকতাৰ ৰহণ সানি মৌলিক চিন্তাৰে আধুনিক অসমীয়া সংগীতলৈ অভিনৱত্ব আনি জুবিন গাৰ্গে ইয়াক বিশ্ববাসীৰ সমুখত তুলি ধৰিলে। জ্যোতিপ্ৰসাদ-বিষ্ণুপ্ৰসাদ-পাৰ্বতীপ্ৰসাদৰ পিছত ভূপেন হাজৰিকাই আধুনিক অসমীয়া সংগীতক স্বকীয় প্ৰতিভাৰে গৰিমামণ্ডিত কৰি তুলিছিল। এই ধাৰাটোৰ সাৰ্থক উত্তৰসুৰী আছিল জুবিন গাৰ্গ। এফালে সংগীতৰ সন্মোহিনী মায়াজাল আৰু আনফালে তাৰ তীব্ৰ আবেদনে তেখেতক সংগীতানুৰাগীসকলৰ বুকুৰ স্পন্দন কৰি তুলিছিল। জুবিন গাৰ্গৰ গীতত যেন সাতো ৰঙৰ সঙ্গম ঘটিছিল। গীতৰ মাজেৰে তেখেতে আনে নোকোৱা, ক'বলৈ ভয় কৰা স্পৰ্শকাতৰ বিষয়ো উত্থাপন কৰিছিল স্বকীয় শৈলীৰে, স্বকীয় মেজাজেৰে। সেইবাবেই অসমীয়া সংগীত জগতত সূচনা হৈছিল জুবিন যুগৰ।

সমাজমুখী সচেতনতা আৰু মানুহৰ কল্যাণকামী চেতনাই জুবিন গাৰ্গ সত্তাটোক কৰি তুলিছিল একক আৰু অনন্য। গীত, চলচ্চিত্ৰ, বিভিন্ন সামাজিক কৰ্মৰ মাজেৰে জুবিন গাৰ্গে মানৱ সমাজলৈ অসাধাৰণ বাৰ্তা দি থৈ গৈছে। শিল্পীসুলভ খেয়ালী স্বভাৱৰ অধিকাৰী শিল্পীগৰাকীৰ ব্যতিক্ৰম ব্যক্তিত্ব আছিল তেখেতৰ পৰিচয়। কম সময়ত কেনেকৈ বেছি কাম কৰি সমাজত এটা আদৰ্শ প্ৰতিষ্ঠা কৰিব পাৰি তাৰ যেন সাৰ্থক প্ৰতিনিধি আছিল জুবিন গাৰ্গ।

জুবিন গাৰ্গ আমাৰ মাজত আছিল আৰু থাকিব। তেখেতৰ প্ৰতিটো কৰ্মৰ মাজত নিহিত হৈ থকা বাৰ্তাই তেখেতক মনত ৰাখিবলৈ আমাক বাধ্য কৰিব। কিন্তু জুবিন গাৰ্গৰ সাৰ্থক উত্তৰসুৰী কোন হ'ব সি এক ডাঙৰ প্ৰশ্ন। দুটামান গীত গালেইতো জুবিন গাৰ্গ হ'ব নোৱাৰি! জুবিন-উত্তৰ যুগত আমাক লাগে তেনে যুৱ প্ৰতিভা যি জুবিন গাৰ্গৰ শক্তিশালী সংগীতৰ ধাৰাটোক সমৃদ্ধ কৰিব পাৰে। অনাগত দিনত নতুন প্ৰজন্মই আন্তৰিকতা আৰু দায়বদ্ধতাৰে জুবিন গাৰ্গ চৰ্চা অব্যাহত ৰাখিব লাগিব। জুবিন গাৰ্গ অনুৰাগীতকৈ আমাক লাগে জুবিন গাৰ্গৰ দৰে মানুহ। সাধাৰণ অথচ অসাধাৰণ। আপাত দৃষ্টিত তৰল অথচ সাগৰৰ দৰে গভীৰ। জুবিন-উত্তৰ যুগত স্বকীয় কালিকাযুক্ত অসমীয়া সংস্কৃতিৰ ঐতিহ্যক আগবঢ়াই লৈ যোৱাৰ দায়িত্বও যুৱ-প্ৰজন্মৰ হাততে।

## সম্পাদনা সমিতি :

**উপদেষ্টা :**

- ড° লোক বিকাশ গগৈ

**সম্পাদক :**

- ড° চিত্ৰজিৎ শইকীয়া

**সহযোগী সম্পাদক :**

- মনোজ কুমাৰ ডেকা
- ৰূপজ্যোতি বৰদলৈ

**সদস্য :**

- ড° পপী হাজৰিকা
- গৌৰৱ সেনগুপ্ত
- জয়ন্ত ভূঞা
- ড° উৰ্বী দেৱী
- ড° মনচুমী গগৈ
- ড° ভাগ্যলক্ষ্মী বৰুৱা
- ড° অম্বালিকা বৰঠাকুৰ
- ড° জ্যোতি গগৈ
- চিদ্দিকা বানু
- অভিজিৎ সাহা
- কৃষ্ণা গগৈ
- সুৰজিৎ গগৈ
- অনুৰাগ ৰাভা
- দেৱজিত ডেকা
- গুলাইনা কোঁৱৰ
- বনচুমি বৰুৱা
- তিতিক্ষা সোণোৱাল
- ৰাণীপ্ৰিয়া বৰুৱা
- দেৱিকা কেওঁট